PGAS S2 02

অসমীয়া গদ্য সাহিত্য

দ্বিতীয় ষাণ্মাসিক

অসমীয়া

খণ্ড ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° মালিনী গোস্বামী, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

ড° উপেন ৰাভা হাকাচাম, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

ড° খগেশ সেন ডেকা (অৱসৰপ্রাপ্ত), সহযোগী অধ্যাপক, পূব কামৰূপ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১	ড° উমেশ চন্দ্র ডেকা, পূব কামৰূপ মহাবিদ্যালয়, বাইহাটা চাৰিআলি
২ আৰু ৪	ড° প্রফুল্ল কুমাৰ নাথ, গুৱাহাটী বিশ্ববিদ্যালয়
৩	ড° কনেশ্বৰ বৰুৱা, গোসাইগাঁও মহাবিদ্যালয়. গোসাইগাঁও
৫	ড° মনোজ কুমাৰ দাস, ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়, গুৱাহাটী
৬	প্রভাত ভূঞা, গৱেষক ছাত্র, গুৱাহাটী বিশ্ববিদ্যালয়
৭	ড° স্মৃতিৰেখা ভূঞা,

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° দীপ্তি ফুকন পাটগিৰি, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জানুৱাৰী, ২০১৮

ISBN : 978-81-934669-6-4

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in

উপ-মুখ্য কার্যালয় ঃ হাউচ্‌ফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১ ০০৬

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমীয়া গদ্য সাহিত্য

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ দ্বিতীয় ষাণ্মাসিকৰ সংশোধিত আৰু পৰিবৰ্ধিত দ্বিতীয় পাঠ্যবিষয়। এই পাঠ্যবিষয়ৰ শিৰোনাম 'অসমীয়া গদ্য সাহিত্য'। পাঠ্যবিষয়ৰ শিৰোনামটোৱেই এই পাঠ্যবিষয়ত কি কি অন্তৰ্ভুক্ত কৰা হৈছে তাৰ আভাস দিয়ে। মাধৱ মেনন আয়োগৰ পৰামৰ্শ ভিত্তিক এই দৰে সংস্কাৰ কৰা আৰু পৰিবৰ্ধিত ৰূপ প্ৰদান কৰা অসমীয়া গদ্য সাহিত্যৰ আলোচনাৰ দ্বাৰা সমৃদ্ধ এই পাঠ্যবিষয়ৰ মাধ্যমেদি শিক্ষাৰ্থীয়ে অসমীয়া গদ্য সাহিত্যৰ ক্ৰমবিকাশৰ বিভিন্ন স্তৰৰ বিষয়ে অৱগত হ'ব পাৰিব। গদ্যৰ সেই ক্ৰমবিকাশত ভাষাগত বিবিধ দিশৰ লগতে সমাজ, পাৰিপাৰ্শ্বিকতা আৰু বিশিষ্ট ব্যক্তিমনৰ চিন্তা আৰু দৃষ্টিভঙ্গীও সাঙোৰ খাই আছে।

এই পাঠ্যবিষয়টো দুটা খণ্ডত ভাগ কৰা হৈছে। খণ্ড ১ত প্ৰথম অধ্যায়ৰ পৰা সপ্তম অধ্যায়লৈ আৰু খণ্ড ২ত অষ্টম অধ্যায়ৰ পৰা চতুৰ্দশ অধ্যায়লৈ।

খণ্ড পৰিচয় (খণ্ড ১) ঃ অসমীয়া গদ্য সাহিত্য

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ দ্বিতীয় ষাণ্মাসিকৰ প্ৰথম পাঠ্যবিষয়ৰ প্ৰথম খণ্ড। পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়টিৰ শিৰোনাম 'অসমীয়া গদ্য সাহিত্যৰ প্ৰাৰম্ভিক স্বৰূপ'। ইয়াত পাঠৰ লেখকে গদ্যৰ অৱধাৰণা এটা আগবঢ়াই অসমীয়া সাহিত্যৰ প্ৰাৰম্ভিক স্বৰূপটো অসমীয়া মন্ত্ৰ সাহিত্য আৰু অঙ্কীয়া নাটৰ গদ্যত কি দৰে সংৰক্ষিত হৈ আছে তাৰ আভাস দিবলৈ যত্ন কৰিছোঁ। দ্বিতীয় অধ্যায় *কথা গীতা* (প্ৰথম আৰু দ্বিতীয় অধ্যায়)ত ভট্টদেৱৰ গদ্যৰ বৈশিষ্ট্য আলোচনাৰ প্ৰসঙ্গত দৃষ্টান্তমূলক ভাবে তেওঁ ৰচনা কৰা *কথা গীতাৰ* গদ্যাংশৰ আলোচনা আগবঢ়োৱা হৈছে। তৃতীয় অধ্যায় *গুৰু-চৰিত কথা* (মহেশ্বৰ নেওগ সম্পাদিত, ১৬২ৰ পৰা ১৯০নং দফালৈ)ৰ মাজেদি মধ্যযুগীয় অসমীয়া সাহিত্যৰ অন্যতম চানেকী *চৰিত পুথিৰ* গদ্যৰ লগত পৰিচিত হ'ব। *চৰিত পুথিৰ* গদ্যৰ পিছতেই আমি নাম ল'ব লাগিব বুৰঞ্জীৰ গদ্য। এই পাঠ্যবিষয়ৰ অন্তৰ্গত চতুৰ্থ অধ্যায়ত *সাতসৰী অসম বুৰঞ্জী* (প্ৰথম আৰু দ্বিতীয় বুৰঞ্জী)ৰ পাঠ সন্নিৱিষ্ট হৈছে। তাৰ পিছৰ অধ্যায়ত 'আধুনিক অসমীয়া গদ্য সাহিত্যৰ উদ্ভৱ' কেনেকৈ হ'ল তাৰ আলোচনা সন্নিৱিষ্ট হৈছে। ষষ্ঠ অধ্যায়ৰ শীৰ্ষক 'আনন্দৰাম ঢেকিয়াল ফুকন ঃ ইংগ্লণ্ডৰ বিৱৰণ'। ইয়াত লেখকে ইংৰাজ জাতিৰ জাতীয়তাবোধ আৰু কৰ্মপটুতাৰ গুণ-গান কৰাৰ লগতে স্বজাতীয় বন্ধুসকলক অসমখনকো ইংলণ্ডৰ দৰে বিতোপণ দেশ ৰূপে কেনেকৈ গঢ়ি তুলিব পাৰে তাকে চিন্তা কৰিবলৈ আহ্বান জনাইছে। সপ্তম অধ্যায় 'লক্ষ্মীনাথ বেজবৰুৱা ঃ মোৰ জীৱন সোঁৱৰণ' (প্ৰথম অধ্যায়)ৰ মাজেদি জোনাকী যুগৰ ত্ৰিমূৰ্তিৰ অন্যতম লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনীৰ এটি অংশৰ আলোচনাৰ মাজেৰে তেওঁৰ বিশিষ্ট গদ্যশৈলীৰ লগতে সমসাময়িক সময়ত প্ৰচলিত অসমীয়া ভাষাটোৰ এটা মনোজ্ঞ ৰূপ ফুটি উঠিছে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্ৰগতিৰ খতিয়ান'ত সন্নিৱিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্ৰশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ অসমীয়া গদ্য-সাহিত্যৰ প্ৰাৰম্ভিক স্বৰূপ ৭-২২

গদ্য ঃ অৱধাৰণা; অসমীয়া গদ্য-সাহিত্যৰ প্ৰাৰম্ভিক স্বৰূপ ঃ অসমীয়া মন্ত্ৰ সাহিত্যৰ গদ্য, অঙ্কীয়া নাটৰ গদ্য

অধ্যায় ২ ঃ ভট্টদেৱ ঃ *কথা গীতা* (প্ৰথম আৰু দ্বিতীয় অধ্যায়) ২৩-৪২

ভট্টদেৱ ঃ জীৱন আৰু কৃতি ঃ ভট্টদেৱৰ গদ্য প্ৰতিভা; ভট্টদেৱৰ *কথা গীতা* ঃ মূল পাঠৰ আভাস, *কথা গীতা*ৰ গদ্যৰ চমু পৰিচয়, ব্যাকৰণগত বৈশিষ্ট্য, গদ্যৰ অন্যান্য বৈশিষ্ট্য, অনুবাদ ৰীতি, কঠিন শব্দৰ টোকা

অধ্যায় ৩ ঃ *গুৰু-চৰিত-কথা* (মহেশ্বৰ নেওগ সম্পাদিত, ১৬২নং দফাৰ পৰা ১৯০নং দফালৈ) ৪৩-৬১

*চৰিত পুথি*ৰ উদ্ভৱ আৰু বিকাশ; *গুৰু-চৰিত-কথা* (১৬২নং দফাৰ পৰা ১৯০নং দফালৈ) ঃ পাঠটিৰ উৎস, মূল পাঠৰ আভাস, বিষয়বস্তুৰ পৰিচয়, নাৰায়ণ দাস ঠাকুৰ আতাৰ চাৰিত্ৰিক বৈশিষ্ট্য, *গুৰু-চৰিত-কথা*ৰ গদ্যৰীতি, কঠিন শব্দৰ টোকা

অধ্যায় ৪ ঃ *সাতসৰী অসম বুৰঞ্জী* (প্ৰথম আৰু দ্বিতীয় বুৰঞ্জী) ৬২-৯৫

অসমীয়া বুৰঞ্জী সাহিত্য ঃ চমু পৰিচয়; *সাতসৰী অসম বুৰঞ্জী* ঃ চমু পৰিচয়; *সাতসৰী অসম বুৰঞ্জী*ৰ বিশেষত্বসমূহ; *সাতসৰী অসম বুৰঞ্জী*ৰ অন্তৰ্গত প্ৰথমখন বুৰঞ্জী ঃ প্ৰথমখন বুৰঞ্জীৰ বিষয়বস্তু, প্ৰথমখন বুৰঞ্জীৰ গদ্যৰীতি, সমসাময়িক আহোম ৰাজনীতি আৰু অসমীয়া সমাজ প্ৰেক্ষাপটত বুৰঞ্জীখনৰ ভূমিকা; *সাতসৰী অসম বুৰঞ্জী*ৰ অন্তৰ্গত দ্বিতীয়খন বুৰঞ্জী ঃ দ্বিতীয়খন বুৰঞ্জীৰ বিষয়বস্তু, দ্বিতীয়খন বুৰঞ্জীৰ গদ্যৰীতি, সমসাময়িক আহোম ৰাজনীতি আৰু অসমীয়া সমাজ প্ৰেক্ষাপটত বুৰঞ্জীখনৰ ভূমিকা; অসমীয়া বুৰঞ্জী সাহিত্যত *সাতসৰী অসম বুৰঞ্জী*ৰ স্থান

অধ্যায় ৫ ঃ আধুনিক অসমীয়া গদ্য সাহিত্যৰ উদ্ভৱ ৯৬-১২৫

অৰুণোদই যুগৰ গদ্য ঃ প্ৰাক্-অৰুণোদই স্তৰৰ গদ্য, অসমীয়া ভাষা পুনঃপ্ৰতিষ্ঠাৰ স্তৰৰ গদ্য, আধুনিক অসমীয়া ভাষা-সাহিত্য প্ৰতিষ্ঠাৰ স্তৰৰ গদ্য

অধ্যায় ৬ ঃ আনন্দৰাম ঢেকিয়াল ফুকন ঃ 'ইংগ্লণ্ডৰ বিবৰণ' ১২৬-১৩৮

আনন্দৰাম ঢেকিয়াল ফুকন ঃ জীৱন আৰু কৃতি ঃ আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনাৰাজি; 'ইংগ্লণ্ডৰ বিবৰণ' শীৰ্ষক মূল পাঠৰ বিষয়বস্তু; আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰীতি ঃ 'ইংগ্লণ্ডৰ বিবৰণ' শীৰ্ষক পাঠটোৰ গদ্যৰীতি; আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ আখৰ জোঁটনি

অধ্যায় ৭ ঃ লক্ষ্মীনাথ বেজবৰুৱা ঃ *মোৰ জীৱন সোঁৱৰণ* (প্ৰথম ভাগ ঃ প্ৰথম অধ্যায়) ১৩৯-১৫৪

লক্ষ্মীনাথ বেজবৰুৱা ঃ জীৱন আৰু কৃতি; আত্মজীৱনীৰ স্বৰূপ ঃ *মোৰ জীৱন সোঁৱৰণ* ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীত ইয়াৰ স্থান, *মোৰ জীৱন সোঁৱৰণ* ঃ সমাজ বাস্তৱতাৰ তথ্য, *মোৰ জীৱন সোঁৱৰণ* ঃ হাস্য-ব্যঙ্গ, বেজবৰুৱাৰ গদ্যৰীতি